# অসম বিধান সভা
## ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ৩৯৭

**বিষয়ঃ গৰাখহনীয়াৰ স্থায়ী প্ৰতিৰোধ সম্পৰ্কে**

**শ্ৰীআফতাব উদ্দিন মোল্লা, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) জলেশ্বৰ সমষ্টিৰ পাগলাৰটেক মন্দিৰৰ পৰা আৰম্ভ কৰি ৰাম হৰিৰ চৰলৈ আৰু ৰৌৰভিটাৰ পৰা আৰম্ভ কৰি নিচিনপুৰ বুঢ়াবুঢ়ি লৈকে ব্ৰহ্মপুত্ৰ নদীৰ যি গৰাখহনীয়াই তাণ্ডৱ চলাই আছে, এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ইয়াৰে স্থায়ী প্ৰতিৰোধ ব্যৱস্থা কেতিয়া কৰিব? তথ্য সহকাৰে সদনত জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**–উত্তৰ–**

(ক) জলেশ্বৰ সমষ্টিৰ পাগলাৰটেক মন্দিৰৰ পৰা আৰম্ভ কৰি ৰামহৰিৰ চৰলৈ আৰু ৰৌৰভিটাৰ পৰা আৰম্ভ কৰি নিচিনপুৰ বুঢ়াবুঢ়ি লৈকে ব্ৰহ্মপুত্ৰ নদীয়ে কৰা গৰাখহনীয়াৰ বিষয়ে জলসম্পদ বিভাগ অৱগত।

(খ) গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত ৰৌৰভিটাৰ পৰা নিচিনপুৰৰ মাজৰ সাতভেন্দী অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে "Flood mitigation and resilience approach for river bank stabilization at Satvendi area from flooding of river Brahmaputra under SDMF for the year 2026-27" নামেৰে ৯৯৮.৪১ লাখ টকাৰ ব্যয় সাপেক্ষে আঁচনি এখন প্ৰস্তুত কৰা হৈছে। যাবতীয় অনুমোদন আৰু প্ৰয়োজনীয় পুঁজি আৱণ্টন সাপেক্ষে আঁচনিখনৰ কাম হাতত লোৱা হ'ব। ইয়াৰ উপৰিও পাগলাৰটেক মন্দিৰৰ পৰা আৰম্ভ কৰি ৰামহৰিৰ চৰলৈ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বিভাগীয় জৰীপ কাৰ্য্য চলাই থকা হৈছে আৰু প্ৰয়োজনীয় প্ৰাককলন প্ৰস্তুতিৰ যো-জা কৰি থকা হৈছে।

(উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

***************